অধ্যায় ২ ঃ অসমীয়া লিপি আৰু শাসন অধ্যয়ন — ২

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ মধ্যযুগীয় অসমীয়া লিপি

২.৪ আধুনিক অসমীয়া লিপি

২.৪.১ ঊনবিংশ শতিকাৰ আদিছোৱাৰ পৰা একবিংশ শতিকাৰ প্ৰথম দশকলৈকে

২.৪.২ কম্পিউটাৰ তথা ইণ্টাৰনেটত অসমীয়া লিপি

২.৫ কানাই বৰশীবোৱা শিলৰ তুৰুষ্ক-ক্ষয়ৰ ফলি

২.৬ চামধৰা গড়ৰ ৰণজয়ৰ শিলালিপি

২.৭ লেখন সামগ্ৰী

২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৯ অধিক জানিবলৈ

২.১০ অগ্ৰগতিৰ খতিয়ান

২.১১ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মধ্যযুগীয় আৰু আধুনিক অসমীয়া লিপিৰ বৈশিষ্ট্য আলোচনা কৰিব পাৰিব
- কানাই বৰশীবোৱা শিলৰ তুৰুষ্ক ক্ষয়ৰ ফলি আৰু চামধৰা গড়ৰ ৰণজয়ৰ শিলালিপিৰ বিশেষত্ব নিৰূপণ কৰি ব্যাখ্যা আগবঢ়াব পাৰিব
- অসমীয়া লিপিৰ লেখন সামগ্ৰীৰ লগত পৰিচিত হ'ব।

২.২ পৰিচয়



লেখন সামগ্ৰী ঃ যিবোৰ বস্তুৰ ওপৰত লিপি খোদাই কৰা হয় আৰু লিপি খোদাই কৰিবলৈ যিবোৰ বস্তু ব্যৱহাৰ কৰা হয় সেইবোৰেই লেখন সামগ্ৰী।

ইয়াৰ আগৰ অধ্যায়টোত আপুনি লিপি কাক বোলে, ইয়াৰ সৃষ্টি আৰু বিকাশ কেনেদৰে হ'ল, প্ৰাচীন ভাৰতীয় লিপি, অসমীয়া লিপিৰ বিকাশ সম্পৰ্কে কিছু কথা অধ্যয়ন কৰিলে। লগতে পুৰণি অসমীয়া লিপিৰ বিশেষত্ব সম্পৰ্কেও অৱগত হ'ল। এইটো আধ্যায়ত মধ্যযুগীয় অসমীয়া লিপি আৰু আধুনিক অসমীয়া লিপি সম্পৰ্কে অধ্যয়ন কৰিব।

অসমীয়া লিপিৰ অধ্যয়ন প্ৰসঙ্গত লিপিৰ ***লেখন সামগ্ৰীৰ*** বিষয়েও জানিবলগীয়া হয়। সেয়ে এই অধ্যায়ত পুৰণি অসমীয়া লিপিৰ লেখন সামগ্ৰীৰ বিষয়েও কিছু কথা সন্নিৱিষ্ট কৰা

হৈছে। তদুপৰি আপোনাৰ পাঠ্যবিষয়ৰ অন্তর্ভুক্ত 'কানাই বৰশীবোৱা শিলৰ তুৰুষ্ক-ক্ষয়ৰ ফলি' আৰু 'চামধৰা গড়ৰ ৰণজয়ৰ শিলালিপি' নামৰ দুখন শিলালিপিৰ বিষয়ে এই অধ্যায়ত বিশেষভাৱে আলোচনা কৰা হৈছে। এই আলোচনা অধ্যয়নৰ অন্তত আপুনি নির্দিষ্ট লিপি দুখনৰ বৈশিষ্ট্যৰ বিষয়ে অৱগত হ'ব। অধ্যায়টি পঢ়ি উঠি আপুনি অসমীয়া লিপিৰ ইতিহাসৰ সম্যক পৰিচয় লাভ কৰিব।

২.৩ মধ্যযুগীয় অসমীয়া লিপি

খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰ পৰা ছপা ৰূপত অসমীয়া লিপিয়ে ভূমুকি মৰাৰ আগলৈকে, অর্থাৎ *ধৰ্ম্মপুস্তক* প্ৰকাশ পোৱাৰ আগলৈকে যিখিনি নিদর্শন পোৱা যায় সেইখিনিকে মধ্যযুগীয় অসমীয়া লিপি হিচাপে নির্ধাৰণ কৰা হৈছে। প্ৰথম অসমীয়া ছপা পুথিখন ১৮১৩ চনত প্ৰকাশ হৈছিল বুলি কোৱা হয় যদিও এই সম্পর্কে কিছু তথ্য এতিয়াও বিশ্লেষণ হোৱাৰ প্ৰয়োজনীয়তা আছে। পৰৱর্তী শাখাটোত এই বিষয়ে আলোচনা কৰা হ'ব। মধ্যযুগীয় অসমীয়া লিপি সম্পর্কে অধ্যয়ন কৰিবলৈ হ'লে মূলতঃ দুই ধৰণৰ লিপিৰ কথা বিবেচনা কৰিবলগীয়া হয়— বিভিন্ন মাধ্যমত উৎকীর্ণ কৰা আৰু হস্তলিখিত পুস্তকত লাভ কৰা লিপি।

কানাই বৰশীবোৱা শিলালিপিৰ পৰা আৰম্ভ কৰি ঊনবিংশ শতিকালৈকে অসমীয়া লিপি উৎকীর্ণ বহু শিলালেখ, তাম্ৰশাসন, মুদ্ৰা, মাটি আৰু ধাতুৰ মোহৰ, বৰটোপ, কামনা, ৰূপৰ জাপি, ইটা, শৰাই, চূনৰ টেমি, কাঁহী, মন্দিৰ-দেৱালয় আদিত থকা পৌৰাণিক সামগ্ৰী, কাঠৰ ফলক আদি উদ্ধাৰ হৈছে। এই সকলোবোৰ তথ্য বিভিন্নজন লিপি বিশাৰদে তেওঁলোকৰ গ্ৰন্থসমূহত লিপিবদ্ধ কৰিছে। এইসকলোৰে মাজত অসমীয়া লিপিৰ এক ক্ৰমবিকশিত ৰূপ সংৰক্ষিত হৈছে। এইবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল— চতুর্দশ শতিকাৰ পুৰুষোত্তমৰ ৰাউতকুছি তাম্ৰশাসন, গছতল স্তম্ভলিপি, হেলেম চাহ বাগিছাৰ তাম্ৰশাসন; পঞ্চদশ শতিকাৰ ৰজা মাধৱদেৱৰ নীলাচল তাম্ৰশাসন, ষোড়শ শতিকাৰ নীলাচলৰ কামাখ্যা মন্দিৰৰ শিলৰ ফলি, সপ্তদশ শতিকাৰ চামধৰা গড়ৰ ৰণজয়ৰ শিলালিপি, কমতাপুৰৰ কামতেশ্বৰী মন্দিৰৰ শিলালেখ; অষ্টদশ শতিকাৰ ৰুদ্ৰসিংহৰ লেপেটকটা তামৰ ফলি, পৰিহৰেশ্বৰ দেৱালয়ৰ তাম্ৰশাসন, গৌৰীনাথ সিংহৰ চমুৱা নিযুক্তিৰ তামৰ ফলি; ঊনবিংশ শতিকাৰ পশ্চিমপাৰ পৰগণাৰ ব্ৰহ্মত্ৰৰ তামৰ ফলি আদি। এইবোৰৰ ভিতৰত হেলেম চাহ বাগিছাৰ তাম্ৰশাসনত পেটকটা 'ৰ' ৰূপ স্পষ্টভাৱে পোৱা গৈছে, ঠিক সেইদৰে নীলাচলৰ কামাখ্যা মন্দিৰৰ শিলৰ ফলিত 'ৱ' স্পষ্টৰূপত দেখা দিছে বুলি সতীশ চন্দ্ৰ ভট্টাচার্য্য মত পোষণ কৰিছে। মাধৱদেৱৰ নীলাচল তাম্ৰশাসনত 'ড়' আখৰটো প্ৰথমে প্ৰয়োগ হোৱা দেখা যায়। এইবোৰেই আছিল কোনো পৃষ্ঠত উৎকীর্ণ কৰা অসমীয়া লিপিৰ নমুনা। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে এই সময়ত "কলমা আখৰ" নামেৰেও এবিধ লিপি নামনি অসমত প্ৰচলন থকাৰ প্ৰমাণ পোৱা যায়, বিল্বেশ্বৰ দেৱালয়ৰ দুর্গা পূজাৰ বিধিখন এইবিধ লিপিত ৰচিত বুলি লিপি বিশেষজ্ঞসকলে মত পোষণ কৰে বুলি সতীশ চন্দ্ৰ ভট্টাচার্য্যই উল্লেখ কৰি গৈছে।

মধ্যযুগৰ আৰম্ভণিৰ সময়ছোৱাত, অর্থাৎ কানাই বৰশীবোৱা শিলালিপিত উল্লেখ থকা

মহম্মদ-ই-বখতিয়াৰ সময়ৰ পৰাই মোগলসকল অসমত প্ৰৱেশ কৰে। সেই সময়তেই আহোমসকলেও অসমত নিজ ৰাজ্য স্থাপন কৰে। তদুপৰি চতুৰ্দশ শতিকাৰ শেষৰ পৰা পঞ্চদশ শতিকালৈ ভিন ভিন সময়ত অসমত প্ৰৱেশ কৰে ব্ৰাহ্মণ পণ্ডিতসকলে। তদানীন্তন সময়ত বৰ্তমান অসমৰ বিভিন্ন ঠাইত বিভিন্ন ৰাজবংশইও ৰাজত্ব কৰি আছিল। মোগলসকলে ব্যৱহাৰ কৰা ফাৰ্ছী লিপি, আহোমসকলে ব্যৱহাৰ কৰা টাই লিপি আৰু ব্ৰাহ্মণসকলে ব্যৱহাৰ কৰা দেৱনাগৰী লিপিয়েও এই সময়ছোৱাতে অসমীয়া লিপিৰ লগত সংমিশ্ৰিত হয় বা সমন্বয় সাধন হয়। সেইবাবেই নাৰায়ণ দাসে মন্তব্য আগবঢ়াইছে- "বিভিন্ন ৰাজবংশ আৰু লিপিৰ সমন্বয়ত পৰিস্ফুট পুৰণি অসমীয়া লিপিৰ এই কালছোৱাক 'সাংস্কৃতিক সমন্বয়ৰ কাল' (Period of Cultural Compromisation) বুলিব পাৰি।"

ত্ৰয়োদশ শতিকাৰ আদিভাগৰ পৰা পঞ্চদশ শতিকাৰ প্ৰায় শেষলৈকে— এই সময়ছোৱা অসমীয়া লিপিৰ বুৰঞ্জীত বৰ গুৰুত্বপূৰ্ণ সময় বুলি বিশ্বেশ্বৰ হাজৰিকাইও মত পোষণ কৰে। ইয়াৰ কাৰণ হিচাপে তেওঁ তিনিটা কথা উল্লেখ কৰিছে। যথা—

- প্ৰথমটো কাৰণ, এই সময়ছোৱাত প্ৰাক্-শংকৰদেৱকালীন কবিসকলে অসমীয়া সাহিত্য ৰচনা কৰিবলৈ লৈছিল,
- দ্বিতীয়তে নব্য ভাৰতীয় আৰ্যভাষা ৰূপে অসমীয়া ভাষাই বিকাশ হোৱাৰ পাচত এই লিপিত অসমীয়া ভাষা লিপিবদ্ধ কৰা হৈছিল (ইয়াৰ আগলৈকে বেছিভাগ লিখনি অসমীয়া লিপিত সংস্কৃত ভাষা লিখা হৈছিল), আৰু
- তৃতীয়তে, লিখাৰ সঁজুলি হিচাপে কলমৰ ব্যাপক প্ৰচলন।

প্ৰাচীন কামৰূপত প্ৰায় সপ্তম শতিকাৰ পৰাই কলম ব্যৱহাৰ কৰি সাঁচিপাততে লিখাৰ নিদৰ্শন আছিল যদিও সেয়া ব্যাপক নাছিল। এই প্ৰসংগত বাণভট্টই *হৰ্ষচৰিত*ত উল্লেখ কৰিছে যে ভাস্কৰবৰ্মা (৫৯৪-৬৫০ খ্ৰীঃ)ই হৰ্ষবৰ্ধনলৈ পঠিওৱা উপহাৰৰ মাজত সাঁচিপাততে লিখা কেইবাখনো সুভাষিতাৰ পুথি আছিল। ঠিক সেইদৰে তালপাততে লিখা চৰ্যাপদৰ আখৰসমূহো পুৰণি অসমীয়া লিপিৰ প্ৰতিনিধি তথা সেয়া যে কলমেৰে লিখা হৈছিল সেয়া ধাৰণা কৰিব পাৰি। কলমেৰে লিখা অসমত পোৱা পুথিৰ ভিতৰত *শ্ৰীমদ্ভাগৱত গীতাৰ সুবোধিনী টীকা*ৰ নাম উল্লেখ কৰিব পাৰি। ১২৭১ শকত এই অনুলিপি সাঁচিপাততে প্ৰস্তুত কৰিছিল বিষ্ণুদত্ত দ্বিজে। অৱশ্যে ইয়াৰ অ, আ, উ, ক, গ, ঘ, ণ, ড, থ, দ, ন, ব, ম, য়, ল, শ, ষ আৰু বহুকেইটা যুক্তাক্ষৰত দেৱনাগৰী লিপিৰ প্ৰভাৱ প্ৰতাপ চন্দ্ৰ চৌধুৰীয়ে লক্ষ্য কৰিছিল বুলি *A Catalogue of Sanskrit Manuscripts at the DHAS* নামৰ গ্ৰন্থখনৰ পাতনিত উল্লেখ কৰিছে।

পঞ্চদশ শতিকাৰ পৰা ঊনবিংশ শতিকালৈকে অসমত তুলাপাত, সাঁচিপাত আৰু কাপোৰত লিখা অসংখ্য পুথি উদ্ধাৰ হৈছে। বিশেষকৈ ৰজাঘৰীয়া পৃষ্ঠপোষকতা, সম্ভ্ৰান্ত লোকৰ পৃষ্ঠপোষকতা, সত্ৰানুষ্ঠান কেন্দ্ৰিক সাহিত্য চৰ্চা, সংস্কৃত টোলসমূহৰ সাহিত্য চৰ্চাৰ মাজেদিয়াই ৰচিত এই পুথিসমূহৰ জৰিয়তেও অসমীয়া লিপি বিকশিত হয়। তদানীন্তন সময়ছোৱাত টাই বা আহোম লিপিৰ লগতে ফাৰ্ছী আৰু আৰবী লিপিও অসমত প্ৰচলন আছিল। আহোম লিপিক

অশমাক্ষৰ বা আশামাক্ষৰ বা আচামাক্ষৰ বা আসামাক্ষৰ বুলিও কোৱা দেখা যায়। আনহাতে এই লিপিসমূহৰ পৰা অসমীয়া লিপি যে পৃথক সেই কথা বুজাবলৈ অসমীয়া লিপিক (হাতেলিখা পুথিৰ আখৰক) "হেন্দুৱান" বা "হিন্দুঅক্ষৰ" বুলি নামকৰণ কৰাৰ কথা মহেশ্বৰ নেওগে উল্লেখ কৰি গৈছে। মধ্যযুগীয় অসমীয়া হাতেলিখা পুথিসমূহৰ বিশ্লেষণ কৰিলে তাৰ মাজতে অসমীয়া লিপি শৈলীৰ ভিন্নতা লক্ষ্য কৰা যায়। এই বিষয়ে পোনপ্রথমে আলোচনাত প্রবৃত হোৱা দেখা যায় হেমচন্দ্র গোস্বামীক।

হেমচন্দ্র গোস্বামীয়ে ১৯১২ চনত তদানীন্তন সময়ৰ অসমৰ মুখ্য আয়ুক্ত চাৰ আর্চডেল আর্লৰ নির্দেশত অসমৰ বহু পুৰণি পুথি সংগ্রহ কৰে আৰু ১৯১৪ চনত সেই পুথিসমূহৰ এখন তালিকা তথা বিৱৰণ লিপিবদ্ধ কৰি শেষ কৰে। কিন্তু পুথিখন প্রকাশৰ পূর্বে ১৯২৮ চনত তেওঁ ইহলীলা সম্বৰণ কৰে। পৰৱর্তী সময়ত তদানীন্তন কালৰ অসম চৰকাৰৰ ইতিহাস আৰু পুৰাতত্ত্ব বিভাগৰ হৈ কলিকতা বিশ্ববিদ্যালয়ে *Descriptive Catalogue of Assamese Manuscripts* (1930) (Reg. 168B.-March, 1930A) নামেৰে এই পুথিখন প্রকাশ কৰে। সূর্য্য কুমাৰ ভএগাই সেই সময়ত অবৈতনিকভাৱে বিভাগটোৰ সহকাৰী সঞ্চালক পদত আছিল আৰু তেওঁ পুথিখনৰ "পাতনি" আৰু "A Note on Assamese Manuscript" শীর্ষক এটা লেখাও অন্তর্ভুক্ত কৰিছে। পুথিখনত প্রায় ২৩৩খন পুৰণি পুথিৰ (অসমীয়া ১৫৬ আৰু সংস্কৃত ৭৭, অৱশ্যে সংস্কৃত ভাষাত লিখা পুথিসমূহৰ ভাষা অসমীয়া) সবিশেষ সন্নিৱিষ্ট কৰিছে। "নির্ঘণ্ট"ত তেওঁ ৬৫খন পুথিৰ আখৰৰ শৈলী নিৰূপণ কৰিছে এনেদৰে- আহোম — ২, বামুণীয়া — ১৩, গড়গএগ — ৩৭, কায়থেলী — ৭, লহকৰী — ৫ আৰু হৰিদেৱী — ১। অৱশ্যে এই সংখ্যাত কিছু গড়মিল আছে। মন কৰিবলগীয়া যে ইয়াত গোস্বামীয়ে "হৰিদেৱী" নামৰ অসমীয়া লিপিৰ শৈলী এটাৰ কথাও কৈছে। নির্ঘণ্টতে উল্লেখ কৰা মতে এই পুথিখন কিতাপখনৰ ক্রমিক নং ৭৬ত তথ্যভুক্ত হৈছে আৰু সেইখন হ'ল হৰিদেৱৰ শিষ্য তথা হৰি মিশ্রৰ পুত্র ভাগৱত আচার্যই লিখা "কথা সূত্র"। কিন্তু গোস্বামীৰ কিতাপখনত ৯০-৯১ পৃষ্ঠাত সংকলিত হোৱা পুথিখনৰ আলোচনাত "হৰিদেৱী" শৈলীটোৰ কথা উল্লেখ নাই। ঠিক সেইদৰে কায়থেলী আৰু লহকৰী শৈলী দুটা যে সমপর্যায়ৰ সেই কথাও তেওঁ উল্লেখ কৰি থৈ গৈছে। এই সম্পর্কে সূর্য্যখড়ী দৈৱজ্ঞৰ *দৱং ৰাজবংশাৱলী* পুথিখনৰ বিষয়ে আলোচনা কৰাৰ প্রসংগত তেওঁ লিখি থৈ গৈছে— "The language of the puthi is metrical Assamese… …The puthi is written in Kaithali cheracters which is known also as "Lahkari" Cheracter. The writtings can hardly be regarded as the best specimens of "Lahkari" cheracters as seen in different part of Assam." (p.179)


এই পুথিখনৰ "A .Note on Assamese Manuscript" অংশটোত সূর্য্য কুমাৰ ভূএগাইও স্পষ্টভাৱে কৈছে যে, — "There are several schools of Assamese script, viz., Gargaiyan, Bamunia, Lahkari and Kaithali, but their distinctions have not been closely studies, and they have a tendency now to merge into one

another, thus, more or less, producing a common script, which has further been accelerated by the uniformity of the printing press.'' (p. xviii)

প্রসংগক্রমে উল্লেখযোগ্য যে, এই কথাখিনি সতীশ চন্দ্র ভট্টাচর্য্যৰ *অসমীয়া লিপিতত্ত্ব অধ্যয়ন* পুথিখনতো সংকলিত কৰি লিখকে মত পোষণ কৰিছে যে — "কায়থেলী আৰু লহকৰীৰ মাজত পোৱা এনে সামান্য প্রভেদৰ প্রতি লক্ষ্য ৰাখি হাতে লেখা পুথিৰ লিপিক গড়গঞা, বামুণীয়া আৰু কায়থেলীত বিভক্ত কৰাটো যুক্তিযুক্ত। বিশেষকৈ আলোচকসকলৰ মাজতো দুয়োটা নামৰ ভিতৰত 'কায়থেলী' নামটো অধিক সমাদৃত হোৱা দেখা গৈছে।" এই তিনিওটা লিখন শৈলীৰ কিছুমান বিশেষ বৈশিষ্ট্য পৰিলক্ষিত হয়, তলত সেয়া আলোচনা কৰা হ'ল।

- **গড়গঞা শৈলীৰ লিপি :** গড়গঞা শৈলীৰ লিপি নামকৰণটো ভৌগোলিক। আহোম স্বর্গদেউসকলৰ ৰাজধানী গড়গাঁৱক কেন্দ্র কৰি বিকশিত হোৱা বাবেই এই লিখন শৈলীটোৰ নাম গড়গঞা হৈছে। সত্যেন্দ্রনাথ শর্মাদেৱে স্পষ্টভাৱে কৈছে— "আহোম ৰাজধানীক কেন্দ্র কৰি উজনিত এই লিপিভংগীৰ প্রচলন হয় কাৰণেই ইয়াৰ নামকৰণ হয় গড়গঞা।" মহেশ্বৰ নেওগে সর্বেশ্বৰ কটকীৰ *অসমীয়া প্রাচীন লিপি*ৰ দ্বিতীয় তাঙৰণৰ পাতনিত গড়গঞা শৈলীৰ লিপিৰ গঢ় বৰ সৰল আৰু নিৰলংকাৰ বুলি উল্লেখ কৰি গৈছে। ঠিক সেইদৰে লীলা গগৈয়ে *সাহিত্য-সংস্কৃতি-বুৰঞ্জী* (১৯৭২) গ্রন্থত উল্লেখ কৰি গৈছে যে— "ৰজাই 'লেখাৰু' নামে এটা খেলক লিপিকাৰক হিচাপে নিযুক্তি দিয়াত আৰু এনে লেখাৰুয়ে পুথিবোৰ লিখা বাবে আখৰবোৰ ধুনিয়া আৰু একে গঢ়ৰ। কেইটামান সংযুক্তাক্ষৰ, ঠ, ন, ল আদি কেইটামান বর্ণৰ বাহিৰে বাকীবোৰ অসমীয়া বর্ণৰ গঢ় আধুনিক লিপিৰ আৰ্হিৰ লগত মিলে।"

চিত্র ২.১ ঃ গড়গঞা লিপিৰ নিদর্শন (বুৰঞ্জীৰ পৰা লোৱা)




উৎস ঃ *অসমীয়া প্রাচীন লিপি*, সর্বেশ্বৰ কটকী

আহোম স্বর্গদেউসকলৰ পৃষ্ঠপোষকতাত সৃষ্ট বুৰঞ্জীসমূহ প্রথমতে আহোম ভাষা আৰু টাই লিপিত লিখা হৈছিল। পৰৱর্তী সময়ত বুৰঞ্জীসমূহো অসমীয়া ভাষা আৰু লিপিত লিখিবলৈ ল'লে। অৱশ্যে মন কৰিবলগীয়া যে গড়গঞা শৈলীৰ লিপিৰে যে কেৱল বুৰঞ্জীয়েই লিখা হৈছিল তেনে নহয়। ইয়াৰ প্রমাণ হেমচন্দ্র গোস্বামীৰ কিতাপখনতে বিদ্যমান। তাতে সংকলিত হোৱা বহু কেইখন কাব্য-মহাকাব্য গড়গঞা শৈলীত লিখা হৈছিল বুলি তেওঁ উল্লেখ কৰি গৈছে। আনহাতে পাছৰ কালত বহুতো বুৰঞ্জী আহোম ভাষাৰপৰা অসমীয়ালৈ অনুবাদ বা ভাষান্তৰ কৰা হৈছিল। এনে কৰাৰ ফলত আহোম ভাষা আৰু লিপিৰ প্রভাৰ লেখক অথবা

লিপিকাৰৰ ওপৰত পৰাটো স্বাভাৱিক। মহেন্দ্ৰ বৰাইও গড়গঞা শৈলীত লিখা 'ণ' লিপিত টাই লিপিৰ প্ৰভাৱ লক্ষ্য কৰিছে আৰু এই লিপিৰ গঢ় স্পষ্ট আৰু সৰল কিন্তু শব্দগোটৰ বিভাজন দেখা নাযায় বুলি মন্তব্য আগবঢ়াইছে। এই আলোচনাৰ পৰা ধাৰণা কৰিব পাৰি যে — টাই লিপিৰ প্ৰভাৱপুষ্ট নিৰলংকাৰ গোট গোট লিপিয়ে "গড়গঞা"। এই শৈলীটোৰ অ, আ, ই, ঈ প্ৰায় আধুনিক গঢ়ৰ আৰু আখৰৰ কোণ আৰু বক্ৰৰেখা স্পষ্টৰূপে পৰিচিহ্নিত।

- **কাইথেলী শৈলীৰ লিপি :** ভাৰতবৰ্ষত অতীজৰে পৰা কায়স্থসকল লেখন কৰ্মৰ সৈতে সংযুক্ত হৈ থকাৰ বহুত তথ্য পোৱা যায়। অসমতো কায়স্থসকলে পুথি ৰচনা, নকল তথা হিচাপ-পত্ৰ ৰাখিবৰ কাৰণে অসমীয়া লিপি ব্যৱহাৰ কৰি এক পৃথক শৈলীৰ সৃষ্টি কৰিছিল। এই শৈলীটোৰ নামেই কাইথেলী শৈলীৰ অসমীয়া লিপি। মন কৰিবলগীয়া যে এই নামকৰণটো এক বিশেষ সম্প্ৰদায়ক ভিত্তি কৰিহে সৃষ্টি হৈছে, গড়গঞা শৈলীৰ দৰে ভৌগোলিক নামকৰণ নহয়। হেমচন্দ্ৰ গোস্বামীয়ে তেওঁৰ পুথিখনত উল্লেখ থকা হাতেলিখা পুথিসমূহৰ *হস্তীবিদ্যাৰ্ণৱ, দৰং ৰাজবংশাৱলী, গুণমালা,* ৰামচৰণ ঠাকুৰৰ *শংকৰ চৰিত (৩য় ভাগ), দাতা কৰ্ণ* আদি কাইথেলী শৈলীত লিখা। ইয়াৰ উপৰি এই শৈলীত লিখা কেইখনমান পুথি হ'ল— *ধৰ্মপুৰাণ, শঙ্খচূড় বধ, ব্ৰহ্মবৈৱৰ্ত পুৰাণ, কিতাবৎ মঞ্জৰী* আদি। কেতিয়াবা কেতিয়াবা পুথি নকলকাৰে বামুণীয়া শৈলীৰ লিপিৰ সংমিশ্ৰণ ঘটোৱাও দেখা যায়। এই শৈলীৰ আখৰৰ কিছু বিশেষ বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। পণ্ডিতসকলে কোৱা এই বৈশিষ্ট্যসমূহ এনেধৰণৰ —
  - ➢ পাকৰ সংখ্যা অলপ বেছি হ'লেও এইবিধ আখৰ মুকুতা যেন ফটফটীয়া।
  - ➢ কাইথেলী অংকৰ যাদুকৰ দণ্ডীৰাম দত্তৰ মতে- এই লিপিত লিখা শাৰীবোৰ সমান সমান। আখৰবোৰ দীঘল-চুটি হ'ব নোৱাৰে আৰু শাৰী বৰ ঘনো নহয়-পাতলো নহয়।
  - ➢ এই লিপিভংগীত আখৰৰ ওপৰৰ টিকনিডাল (উ, ট, ঠ ইত্যাদিত) আৰু তলৰ ৰেখা বা ডাঁৰডালত সোঁফালৰ লম্ব ডাঁৰডালত সংলগ্ন হৈ আলংকাৰিকভাৱে বহুখিনি বঢ়াই টানি নিয়া দেখা যায়।
  - ➢ আখৰৰ কোণবোৰ স্পষ্ট। শব্দবোৰ সাধাৰণতে (ব্যতিক্ৰম নোহোৱা নহয়) একে লানিতে লিখি যোৱা, পৰিচ্ছন্নভাৱে পৃথক কৰি দেখুওৱা নহয়।

চিত্ৰ ২.২ ঃ কাইথেলী লিপি (*নামঘোষাৰপৰা লোৱা*)



উৎস ঃ *অসমীয়া প্ৰাচীন লিপি,* সৰ্বেশ্বৰ কটকী

- **বামুণীয়া শৈলীৰ লিপি :** এই লিপি শৈলীটোৰ নামকৰণেই বোধ জন্মায় যে ই মূলতঃ ব্ৰাহ্মণ সম্প্ৰদায়ৰ মাজত প্ৰচলিত লিপি শৈলী। সতীশ চন্দ্ৰ ভট্টাচাৰ্যৰ মতে "মধ্য যুগত অসমত বৰ্তি থকা প্ৰচুৰ সংখ্যক সংস্কৃত টোলক মধ্যমণি হিচাপে লৈ পুথি-পাঁজি ৰচনা আৰু নকল কৰাৰ যি ৰীতি প্ৰচলিত হৈছিল তাৰে পৰিণতিত বামুণীয়া লিপিৰ জন্ম হয়। গীতা-ভাগৱত প্ৰমুখ্যে ধৰ্ম-গ্ৰন্থ, নীতি-শাস্ত্ৰ, কাব্য, ব্যাকৰণ, জ্যোতিষ, বিবিধ পূজা-পাৰ্বণ তথা শ্ৰাদ্ধৰ বিধি আদি এই লিপিত ৰচিত হৈছিল।" উল্লেখযোগ্য যে সত্ৰসমূহত লিখা পুথিসমূহতো এই শৈলীটোৰ প্ৰয়োগ দেখা যায়। সত্যেন্দ্ৰনাথ শৰ্মাই কৈ গৈছে— "অ আ সাধাৰণতে দেৱনাগৰী গঢ়ৰ, দ আখৰো দেৱনাগৰীৰ কাষ চপা, ঠ-ৰ ওপৰৰ টিকনি ডাল সাধাৰণতে নাথাকে বা বৰ চুটি আৰু ভূমি ফালে টিকনি এডাল আগবাঢ়ি যায়। ক, গ, ট, প, হ আদিৰ আকাৰ যৎসামান্য পৃথক। কোণবোৰ কাইথেলীৰ দৰে তীক্ষ্ণ বা স্পষ্ট নহয়। ল-টো সাধাৰণতে শুৰডাল তললৈ নামি অহা ণ-ৰ দৰে।" এই বক্তব্যৰ পৰা এটা কথা স্পষ্টৰূপত জানিব পাৰি যে এই লিপি শৈলীত দেৱনাগৰী লিপিৰ প্ৰভাৱ বহু আছে আৰু লিপিৰ সমীক্ষকসকলেও এই কথা মানি লৈছে।

হেমচন্দ্ৰ গোস্বামীয়ে তেওঁৰ পুথিখনত বামুণীয়া শৈলীত লিখা পুথিৰ ভিতৰত উল্লেখ কৰিছে— *অন্নপূৰ্ণাৰ পূজাবিধি*, শংকৰদেৱৰ *ভক্তি-ৰত্নাকৰৰ* নকল (১৮৮৩ চনত কৰা), *জ্যোতিষ মুক্তাৱলী, মনু সংহিতাৰ* নকল আদি। অসম চৰকাৰৰ "বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ"ত সংৰক্ষিত শ্ৰীধৰ স্বামীকৃত *শ্ৰীমদ্ভাগৱত গীতাৰ সুবোধিনী টীকা* পুথিখনৰ আখৰ বামুণীয়া শৈলীৰ। ঠিক সেইদৰে সেইদৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ গ্ৰন্থাগাৰত সংৰক্ষিত (পুথি নং ১৭৬) *ভক্তি-ৰত্নাৱলীৰ* আখৰক মহেন্দ্ৰ বৰাই বামুণীয়া শৈলীৰ বুলি অভিহিত কৰিছে।

এই তিনিটা প্ৰকৃততে মধ্যযুগীয় অসমীয়া লিপিৰ তিনিটা শৈলীহে। সেই বাবেই সত্যেন্দ্ৰনাথ শৰ্মাই মত আগবঢ়াইছিল— "দৰাচলতে কায়থেলী, বামুণীয়া আৰু গড়গঞাৰ শ্ৰেণীভেদ উপৰুৱা। এই তিনিটাক স্বতন্ত্ৰ লিপি বুলি নকৈ অসমীয়া আখৰ বা লিপিৰ তিনিটা লিখনভংগীহে বুলি কোৱা অধিক সংগত।" পৰৱৰ্তী সময়ত এই তিনিওটা শৈলী সানমিহলি হৈছে। মূলতঃ নকলকাৰজন কোন ঠাইৰ সেই কথাই প্ৰাধান্য লাভ কৰে। নাৰায়ণ দাসে এই তিনিটা শৈলীৰ পৰিৱৰ্তে অসমীয়া লিপিক— ৰাজকীয় (ৰাজ পৃষ্ঠপোষকতাত লিখা পুথি, য'ত আখৰৰ গঢ় সুগঢ়ী আৰু অলংকৃত) আৰু ব্যক্তিগত (ব্যক্তিবিশেষৰ নিজস্ব লিখনি, যাৰ বাবে দ্ৰুত লেখনি চালনা আৰু অপৰিপক্কতাৰ বাবে অলংকাৰ বৰ্জিত হৈছে) বুলি ভাগ কৰি এই সময়ছোৱাক "চূড়ান্ত বিকাশৰ কাল" (Final Development) আৰু আনহাতে "প্ৰোজ্জ্বলকৰণৰ কাল" (Period of Crystallization) বুলি অভিহিত কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

(ক) মধ্যযুগীয় অসমীয়া লিপিৰ প্রধান শৈলী তিনিটা।

(খ) 'গড়গঞা লিপি' নামকৰণটি সেই সময়ৰ আহোম ৰাজধানী গড়গাঁওক কেন্দ্র কৰি এই লিপি শৈলীটিয়ে বিকশিত হোৱা বাবে কৰা হৈছে।

(গ) বুৰঞ্জীসমূহ প্রথমতে টাই লিপিত লিখা হৈছিল।

(ঘ) কাইথেলী লিপিটো নামকৰণ কৰা হৈছে ভৌগোলিক কাৰকৰ বাবে।

(ঙ) বামুণীয়া লিপি অসমীয়া আৰু নাগেৰী লিপিৰ সংমিশ্রণত গঢ় লোৱা লিপি।

.....

.....

২.৪ আধুনিক অসমীয়া লিপি

মধ্যযুগীয় অসমীয়া লিপিৰ গড়গঞা, কাইথেলী আৰু বামুণীয়া এই উপবিভাগকেইটা সময়ৰ সোঁতত কেতিয়া সানমিহলি হৈ পৰিল কোৱা টান। কিন্তু শ্রীৰামপুৰত থকা মিছনেৰীসকলে অসমীয়া *বাইবেল*খন (*ধর্মপুস্তক*) ছপা কৰি উলিওৱাৰ লগে লগে মধ্যযুগীয় অসমীয়া লিপিৰ সময়সীমাৰ অৱসান ঘটে আৰু আধুনিক অসমীয়া লিপিৰ ধাৰা আৰম্ভ হয়। অসমীয়া লিপিৰ এই পর্যায়টো বর্তমানলৈকে বিস্তৃত। সেয়ে আলোচনাৰ সুবিধার্থে ইয়াক দুটা শাখাত ভাগ কৰি আলোচনা কৰিব পাৰি। তলত থোৱতে এই বিষয়ে আলোচনা কৰা হ'ল।

২.৪.১ ঊনবিংশ শতিকাৰ আদিছোৱাৰ পৰা একবিংশ শতিকাৰ প্রথম দশকলৈকে

মোৱামৰীয়া বিদ্রোহ, মানৰ আক্রমণ আদিয়ে অসম দেশ থানবান কৰি থকা শ্রীৰামপুৰৰ 'মিছনেৰী প্রেছ'ৰ পৰা প্রথমখন অসমীয়া ছপা পুথি প্রকাশ পায়। এই সময়লৈকে কিন্তু অসমত খ্রীষ্ট ধর্ম প্রচাৰ আৰু প্রসাৰৰ বিশেষ কোনো ধৰণৰ পদক্ষেপ আৰম্ভ হোৱা নাছিল। অসমীয়া সাহিত্যৰ ইতিহাসকাৰসকলে বর্তমানলৈকে উক্ত প্রেছৰ পৰা প্রকাশিত *ধর্ম্মপুস্তক* পুথিখনকে প্রথম অসমীয়া ছপা পুথিৰ মর্যাদা প্রদান কৰি ১৮১৩ চনত প্রকাশ হৈছে বুলি মন্তব্য দি আহিছে। এই সময়সীমা সম্পর্কে এতিয়াও বিভিন্নজনে গৱেষণা কৰি আছে।

প্রকাশৰ চন যিয়েই নহওক, *ধর্ম্মপুস্তক* পুথিখন প্রকাশ হোৱাৰ লগে লগে আধুনিক অসমীয়া লিপিৰ পৰিক্রমা আৰম্ভ হয়। সেই সময়ত কিতাপ ছপাবলৈ আখৰ কাটি ল'বলগীয়া বা সাঁচ তৈয়াৰ কৰি ল'বলগীয়া হৈছিল। শ্রীৰামপুৰৰ 'মিছনেৰী প্রেছ'ৰ পৰা ইতিমধ্যে বাংলা ভাষাৰ লগতে আন কেইবাটাও ভাষাত বাইবেলখন অনূদিত হৈ

প্ৰকাশ হোৱাৰ লগতে বেলেগ বেলেগ দুই-এখন কিতাপো প্ৰকাশ কৰিছিল। প্ৰথম অৱস্থাত পঞ্চানন কৰ্মকাৰ নামৰ ব্যক্তিগৰাকীয়ে উইলিয়াম কেৰীৰ আখৰৰ হৰফ কাটি দিছিল। ১৮০৪ চনত তেওঁৰ দেহাৱসানৰ পাছত জোঁৱায়েক মনোহৰ কৰ্মকাৰে সেই দায়িত্বভাৰ গ্ৰহণ কৰে। মন কৰিবলগীয়া যে অসমীয়া ভাষাৰ প্ৰথমখন ছাপ পুথিৰ হৰফখিনি এই মনোহৰ কৰ্মকাৰেই নিৰ্মাণ কৰি উলিয়াইছিল। মিছনেৰীসকলে পোনপ্ৰথমে পূৰ্বে কাটি থোৱা বাংলা হৰফেৰেই অসমীয়া বাইবেলৰ ছপাৰ কাম আৰম্ভ কৰে। এই সম্পৰ্কে *The Report of the British and Foreign Bible Society with Extracts of Correspondence* নামেৰে ১৮১৩ চনত প্ৰকাশিত নৱমখন খতিয়ানত W. Carey, J. Marshman আৰু W. Ward য়ে স্বাক্ষৰ কৰা "Address from the Baptist Missionaries. Serampore, Aug. 31, 1812" শীৰ্ষক চিঠি প্ৰকাশ পাইছে। ইয়াতে উল্লেখ আছে যে—

> Within these two years, providence has furnished us with the means of beginning Translations in two other dialects of India, that of Asam and the Pushtoo or Affghan languages. The former has been carefully examined, and found to correspond with the Bangalee, both in the character and the words, but a difference in the inflections of the nouns and verbs renders the inhabitants of the two countries scarcely intelligible to each other. As it can be so easily done, therefore, without the expense of new types, we have determined to give the Asamese the Sacred Scriptures altogether in their own dialect.

ঠিক সেইদৰে *Tenth Memoir Respecting the Respecting the Translation of the Sacred Scriptures into the Oriental Languages by The Serampore Brethren (1834)* পুথিখনত উল্লেখ আছে এনেদৰে —

> The **Bengalee character** is now universally used throughout Assam. The New Testament printed by the missionaries at Serampore is written in the present vernacular idiom of Assam. It was shown to a Vukeel, a person of some rank deputed by the reigning king of Assam, and also to a learned Assamee named Hulee Ram, who has just arrived at Gwalpara. The report sent me by the officer commanding at Gwalpara is as follows; 'I shewed your Testament to the Vukeel and to Hulee Ram. They read it with great ease, and said that it was written in the Bengalee character,

which is in general use, and understood by all; and that the language is good Assamee, such as is spoken and written in Assam. In short, it is just what it was intended to be.

ঠিক সেইদৰে দশম আৰু একাদশ খতিয়ান একত্রে প্রকাশ পাইছে (১৮১৪ আৰু ১৮১৫ চনৰ, প্রকাশৰ চন উল্লেখ নাই)। দশম খতিয়ানত অসমৰ কোনো তথ্য নাই। কিন্তু একাদশখনত কিছু গুৰুত্বপূর্ণ তথ্য প্রকাশ পাইছে। ''Communications from the Corresponding Committee in Bengal From the Rev. T. Thomason, Secretary to the Corresponding Committee of the British and Foreign Bible Society in Bengal.'' শিৰোনামেৰে ৭ মে' ১৮১৪ চনত এখন চিঠিৰ লগতে ১৮১০-১৮১৩ চনৰ শ্রীৰামপুৰ মিছনেৰীসকলৰ খতিয়ান প্রকাশ পাইছে। ''Report of Oriental Versions by the Missionaries at Serampore. To the Committee of the British and Foreign Bible Society'' ভাগটোত অনুবাদৰ কথা কোৱা হৈছে আৰু তাতে উল্লেখ আছে এনেদৰে—

In this language, a version of the Scriptures was begun about two years ago. When we began to examination of the language, we were led to suppose, that the Bengalee types would fully answer the purpose of the printing the Assamese Version. But, on further examination, we perceived that the letters of the alphabet have, in general, the same name and power, as those in the Bengalee alphabet: there are yet several which very a little in their shape from them; and in one instance, **the Assam alphabet is certainly superior.** It has **two distinct letters to express b and v**, for which the Bengalee alphabet preposterously used the same character.

মন কৰিবলগীয়া যে ইয়াতেই অসমীয়া ''ৱ'' যে এটা পৃথক অক্ষৰ সেই কথা তেওঁলোকেও যে বুজি উঠিছে অনুবাদৰ লগে লগে যে ছপা কর্মও একেলগে চলাই গৈছে তাৰ প্রমাণ পাব পাৰি।*ধৰ্ম্মপুস্তক* পুথিখনত ''ৱ''ৰ বহুল প্রয়োগ লক্ষ্য কৰা যায়।

পৰৱর্তী সময়ত অসমটো আমেৰিকান বেপ্তিষ্ট মিছনেৰীসকলে ছপাশাল প্রতিষ্ঠা কৰিছিল যদিও সকলোখিনি সামগ্রী তথা আখৰৰ হৰফো বংগদেশৰ পৰাই মগাই অনা হৈছিল। তাৰ পাছৰে পৰা একবিংশ শতিকালৈকে ছপা পদ্ধতিৰ বিভিন্ন বিকাশ সাধন হৈছে যদিও অসমীয়া আখৰৰ হৰফ বেছিভাগেই বাহিৰৰ পৰাই মগাই অনা হৈছিল। অৱশ্যে এই বিষয়ে এতিয়াও গভীৰ আলোচনাৰ বাট মুকলি হৈ আছে।

২.৪.২ কম্পিউটাৰ তথা ইণ্টাৰনেটত অসমীয়া লিপি

সাম্প্রতিক সময়ত আমি কম্পিউটাৰ, ইণ্টাৰনেট নোহোৱাৰ কথা ভাবিবই নোৱাৰো। কম্পিউটাৰত অসমীয়া লিখিবলৈ হ'লে মূলতঃ দুটা কথা আহি পৰে— কী-বর্ড আৰু ফণ্ট। কম্পিউটাৰ এটাত কোনো এটা ভাষা লিখিবৰ বাবে প্রয়োজন হোৱা প্রধান সঁজুলিটো হ'ল সেই ভাষাত নির্মাণ কৰা কী-বর্ড। কম্পিউটাৰৰ হার্ডৱেৰ অংশ হিচাপে কী-বর্ড এখন প্রত্যেক ব্যক্তিগত কম্পিউটাৰ বা লেপটপৰ লগত সংযোগ হৈ থাকে যদিও সেই কী-বর্ডবোৰক কেৱল ইংৰাজী বর্ণমালা লিখিবৰ বাবেহে সজোৱা থাকে। সেয়ে আমি কম্পিউটাৰৰ লগত সংলগ্ন কী-বর্ড এখনেৰে টাইপ কৰিলে কেৱল ইংৰাজী আখৰহে দেখা পাওঁ। সেয়ে কম্পিউটাৰত ইংৰাজীৰ বাহিৰে অন্য ভাষাত লিখিবলৈ হ'লে সেই নির্দিষ্ট ভাষাৰ কী-বর্ড একোখন স্থাপন (ইনষ্টল) কৰিব লগা হয়। কম্পিউটাৰত লিখিব বিচৰা ভাষাটোৰ কী-বর্ড এখন স্থাপন কৰাৰ পিছত তাক লিখিবৰ সময়ত সক্রিয় কৰি ল'লেহে কম্পিউটাৰৰ লগত থকা কী-বর্ডখনত টাইপ কৰিলে আমি সেই ভাষাবোৰ কম্পিউটাৰ স্ক্রীণত থকা লিখন সঁজুলি (MS Word, Notepad আদি) দেখা পোৱা যায়। অসমীয়া ভাষাৰ ক্ষেত্রতো কম্পিউটাৰত অসমীয়া লিখিবৰ বাবে অসমীয়া ভাষাৰ নির্দিষ্ট কী-বর্ড কম্পিউটাৰত স্থাপন কৰি তাক সক্রিয় কৰি ল'ব লাগিব।

কী-বর্ডৰ সমান্তৰালভাৱে কম্পিউটাৰত নির্দিষ্ট ভাষা এটা লিখিবৰ বাবে প্রয়োজন হোৱা আন এটা গুৰুত্বপূর্ণ সঁজুলি হ'ল 'ফণ্ট'। কম্পিউটাৰত অসমীয়া ভাষা লিখিবৰ বাবে অসমীয়া ভাষাৰ কী-বর্ডৰে টাইপ কৰা আখৰবোৰ কম্পিউটাৰ স্ক্রীণত দেখিবৰ বাবেই প্রয়োজন হয় অসমীয়া ফণ্টৰ। ফণ্টবোৰ আকৌ বিভিন্ন ষ্টাইল বা ভাজৰ হ'ব পাৰে। কিন্তু প্রধান কথা হৈছে অসমীয়া ভাষাৰ লিপিক প্রতিনিধিত্ব কৰিব লাগিব। কী-বর্ড, ফণ্টৰ লগে লগে ভাষা এটা শুদ্ধ হৈছে নে নাই তাক কম্পিউটাৰত টাইপ কৰি যোৱাৰ সময়তে চাই যাবলৈ প্রয়োজন হয় 'স্পেল-চেকাৰ' বা বানান পৰীক্ষক আৰু অভিধানৰ দৰে আনুষঙ্গিক চফ্টৱেৰৰ।

Unicode Consortium-এ ইউনিক'ডৰ সম্প্রসাৰণ কৰাৰ আগলৈকে কম্পিউটাৰ আৰু ম'বাইলত অসমীয়া লিখিবৰ বাবে বিশেষ অসমীয়া কী-বর্ডৰ নির্মাণ হোৱা নাছিল। ১৯৮৩ চনত জন্ম হোৱা Modular InfoTech Pvt. Ltd নামৰ এটা কোম্পানীটোৱেই সম্ভৱতঃ প্রথমবাৰৰ বাবে অসমীয়াকে ধৰি আন আন ভাৰতীয় ভাষাত কম্পিউটাৰত লিখিব পৰা চফ্টৱেৰ নির্মাণ কৰিছিল। তাৰ পিছত কম্পিউটাৰত অসমীয়া লিখিবৰ বাবে সম্পূর্ণ ঘৰুৱাভাৱে আন এক চফ্টৱেৰ নির্মাণ কৰে ১৯৯২ চনত গুৱাহাটীৰ ত্রিদীপ কুমাৰ বৰুৱাই। ত্রিদীপ কুমাৰ বৰুৱাই নির্মাণ কৰা 'ৰামধেনু' নামৰ চফ্টৱেৰটোৱেই বর্তমান কম্পিউটাৰত অসমীয়া লিখিবৰ বাবে ব্যৱহাৰ হোৱা অন্যতম চফ্টৱেৰ। এই চফ্টৱেৰসমূহৰ ভিতৰতে লিখিবৰ বাবে প্রয়োজন হোৱা কী-

বর্ড, ফণ্ট আদি অন্তর্ভুক্ত হৈ থাকে।

কম্পিউটাৰত অসমীয়া লিখিবৰ বাবে প্রকৃত অসমীয়া কী-বর্ডৰ বিকাশ হয় ইউনিক'ড প্রণালীৰ উদ্ভাৱনৰ পিছৰ পৰাহে। প্রথম অৱস্থাত কম্পিউটাৰত লিখিবৰ বাবে মূল বাংলা কী-বর্ডসমূহতে অসমীয়া 'ৰ' আৰু 'ৱ'ৰ বিকাশ ঘটাই কম্পিউটাৰত অসমীয়া লিখিবৰ বাবে ব্যৱস্থা কৰা হৈছিল। তেনে কী-বর্ডসমূহৰ ভিতৰত উল্লেখযোগ্য কী-বর্ড আছিল — বৰহ (Baraha) আৰু অভ্র' (Avro)

ইয়াৰ পিছত বহুকেইজন অসমীয়া ব্যক্তিয়ে নিজস্ব চিন্তা-চর্চাৰে কম্পিউটাৰত লিখিবৰ বাবে কেইবাখনো অসমীয়া কী-বর্ডৰ নির্মাণ কৰিলে। সেই কী-বর্ডসমূহৰ ভিতৰত উল্লেখযোগ্য কী-বর্ডসমূহ হ'ল — ৰ'দালি, জাহ্নৱী, শব্দ কী-বর্ড, লাচিত লাচিত ফ'নেটিক, লাচিত (Lachit) 2.0, মাইক্র'ছফ্ট ইণ্ডিক ইন্পুট ২ (Indic Input 2) আদি। কম্পিউটাৰত লিখিব পৰা কী-বর্ড নির্মাণৰ সমান্তৰালভাৱে বহুকেইজন অসমীয়া ব্যক্তিয়ে একক প্রচেষ্টাৰে Android ম'বাইল আৰু টেবলেটত লিখিব পৰাকৈও কেইবাখনো কী-বর্ড নির্মাণ কৰি উলিয়াই। কম্পিউটাৰত লিখিব পৰা কী-বর্ড নির্মাণ কৰা বহুকেইজন নির্মাণকাৰিয়েই ম'বাইলৰ বাবেই একে নামেৰে কী-বর্ডসমূহ সাঁজি উলিয়াইছিল। ইয়াত উল্লেখ কৰা সকলৰ বাদেও আৰু কেইবাগৰাকী ব্যক্তিয়ে এনে কী-বর্ড নিমার্ণ কৰি উলিয়াইছে। ইয়াত থোৱতেহে উল্লেখ কৰি যোৱা হ'ল।

এতিয়া আহো অসমীয়া ফণ্টৰ বিষয়ে। অসমীয়া ফণ্টক আমি দুই ধৰণেৰে আলোচনা কৰিব পাৰোঁ। ইউনিক'ড প্রণালী উদ্ভাৱনৰ (১৯৯১) আগৰ ফণ্ট আৰু আৰু ইউনিক'ড প্রণালী উদ্ভাৱনৰ পিছৰ সময়ছোৱাৰ ফণ্ট। ইউনিক'ড প্রণালী উদ্ভাৱনৰ আগতে অসমীয়া আখৰক প্রতিনিধিত্ব কৰিব পৰা ফণ্ট বহুত বেছি নাছিল। ১৯৮৩ চনত স্থাপন কৰা Modular InfoTech Pvt. Ltd নামৰ এটা কোম্পানীয়ে ভাৰতীয় ভাষাত লিখিব পৰা কম্পিউটাৰ সঁজুলি আৰু ফণ্টৰ সৃষ্টি কৰিছিল। সেই কোম্পানীটোৱে সৃষ্টি কৰা শ্রীলিপি (Shree-Lipi) নামৰ চফ্টৱেৰটোৰ ভিতৰত অসমীয়া ভাষাত লিখিব পৰাকৈ অনেক ফণ্ট তৈয়াৰ কৰিছিল। ইয়াৰ পিছত ৰামধেনু (১৯৯২) চফ্টৱেৰৰ বিকাশৰ লগে লগে গীতাঞ্জলি (Geetanjali) নামৰ এটা ফণ্টৰ সহায়ত কম্পিউটাৰত অসমীয়া ভাষাত লিখাৰ কাম আৰম্ভ হ'বলৈ ধৰিলে। কিন্তু এই ফণ্টসমূহৰ এটা প্রধান সমস্যা আছিল যে ইয়াক যিটো কম্পিউটাৰত স্থাপন কৰা হৈছিল সেইটো কম্পিউটাৰতহে আখৰবোৰ দেখা পোৱা গৈছিল। এই ফণ্ট নথকা আন এটা কম্পিউটাৰলৈ ফাইলসমূহ লৈ গ'লে সেই ফাইলৰ আখৰবোৰ দেখা পোৱা নগৈছিল। আনহাতে ইণ্টাৰনেটৰ ব্যৱহাৰৰ লগে লগেও আন কিছুমান সমস্যাই দেখা দিলে। কোনো লোকে লিপ অফিচ (Leap Office) বা তেনে কোনো সঁজুলিত গীতাঞ্জলি ফণ্ট ব্যৱহাৰ কৰি লিখা কোনো লেখা ইণ্টাৰনেটত আপল'ড কৰাৰ লগে লগে সেই আখৰবোৰ অসমীয়া নহৈ কিছুমান অর্থহীন ৰোমান লিপিত বা অর্থহীন বাকচত দেখুৱাবলৈ ধৰিলে। এই সমস্যা যে অকল অসমীয়া ফণ্টৰ

ক্ষেত্রতে হৈছিল এনে নহয়। সকলো ভাৰতীয় ভাষাৰ ক্ষেত্রতে এনে সমস্যা হ'বলৈ ধৰিলে।

শেষত বহু গৱেষণা আৰু আলোচনাৰ অন্তত ১৯৯১ চনত Unicode Consortium নামৰ অপেছাদাৰী সংগঠনটোৱে "ইউনিক'ড" নামৰ এটা প্রণালী উদ্ভাৱন কৰে। যাৰ ফলত ইণ্টাৰনেট আৰু কম্পিউটাৰত আঞ্চলিক ভাষাৰ লিপিত আখৰ লিখা সম্ভৱ হৈ উঠিল। ইউনিক'ড (Unicode) হৈছে কম্পিউটাৰৰ লিখন প্রণালীত থকা আখৰ বা চিনবোৰৰ সংহত নিয়মীকৰণ, নির্দেশনা আৰু প্রতিনিধিত্ব কৰিব পৰাকৈ ব্যৱহৃত এক কাৰিকৰী মান। প্রধানতঃ ইউনিক'ড পদ্ধতিত "বিশ্বৰ প্রায় সকলো ভাষাৰ লিপিসমূহ পর্য্যায় ক্রমে একো একোটা বিশেষ মানদণ্ডত ৰখা অথবা ৰাখিবলৈ চেষ্টা কৰা হৈছে।" ইউনিক'ডে বিশ্বৰ প্রতিটো ভাষাৰ বর্ণমালাৰ বাবে একোটা সুকীয়া range ৰ সৃষ্টি কৰিছে, (বাংলা ভাষাৰ বাবে U+0980-ৰ পৰা U+09FF, দেৱনাগৰী(হিন্দী) U+0900-ৰ পৰা U+097F, তামিল ভাষাৰ বাবে U+0B80-ৰ পৰা U+0BFF ইত্যাদি)। এনেদৰে বিশ্বৰ প্রতিটো লিপিৰ বাবে একোটা বিশেষ স্থান নির্ধাৰণ কৰাৰ বাবে বর্তমান বিশ্বত ব্যৱহাৰ হৈ থকা সকলো বৈদ্যুতিক সামগ্রীত (আৰু ভৱিষ্যতে আৱিষ্কৃত হ'ব লগা সামগ্রীসমূহতো) বিশ্বৰ সকলো ভাষা ব্যৱহাৰ কৰিব পৰাটো সম্ভৱ হৈছে। ইউনিক'ড পদ্ধতি হোৱাৰ আগতে, কম্পিউটাৰ বা অন্য বৈদ্যুতিক মাধ্যমত ব্যৱহাৰ কৰিবলৈ বিশ্বৰ প্রতিটো ভাষাৰে বিভিন্ন নিজা পদ্ধতি আছিল। যাৰ ফলত, সেই পদ্ধতি কেৱল এখন দেশত বা একোটা অঞ্চলতহে ব্যৱহাৰ কৰিব পৰা গৈছিল। উদাহৰণ স্বৰূপে, ভাৰতবর্ষৰ পদ্ধতিটোৰ নাম আছিল— ISCII (Indian Standard Code for Information Interchange), আমেৰিকাৰ পদ্ধতিটোৰ নাম আছিল— ASCII (American Standard Code for Information Interchange)। এই ASCII পদ্ধতিটো বহুলভাৱে ব্যৱহৃত হৈছিল, ভাৰততো ইয়াৰ ব্যৱহাৰ হৈছিল। আমাৰ অসমৰ ডিটিপি চেণ্টাৰ (DTP Center)-বোৰত বর্তমানে ব্যৱহাৰ হৈ থকা অসমীয়া আখৰবোৰৰ পদ্ধতি ASCII-ৰ ওপৰত ভিত্তি কৰিয়েই তৈয়াৰ কৰা। আমাৰ বহুতৰে চিনাকি— Leap Office ভাৰতীয় ISCII পদ্ধতিৰ দ্বাৰা নির্মিত। কিন্তু ইউনিক'ড হোৱাৰ পাছত এতিয়া যিকোনো প্লেটফ'র্মতে, যিকোনো প্র'গ্রামতে বা যিকোনো ভাষাতে একে ধৰণেৰে লিখিব পৰা হৈছে।

ইউনিক'ড পদ্ধতিক সমর্থন কৰিবৰ বাবে কিছুমান বিশেষ ফ'ণ্ট কম্পিউটাৰত থকাটো প্রয়োজন। ইউনিক'ড পদ্ধতি অৱলম্বন কৰি যিবোৰ ফ'ণ্ট তৈয়াৰ কৰা হয় সেইবোৰেই হ'ল ইউনিক'ড ফ'ণ্ট। কম্পিউটাৰত বিশেষকৈ ইণ্টাৰনেটত অসমীয়া বা অন্য ভাষা দেখিবলৈ হ'লে সেই ভাষাৰ কিছুমান বিশেষ ফ'ণ্ট কম্পিউটাৰত থকাটো অতিকে জৰুৰী। অৱশ্যে বর্তমান কম্পিউটাৰসমূহত ইউনিক'ড সমর্থিত বহুতো ফণ্ট অন্তর্ভুক্ত কৰা থাকে। উদাহৰণস্বৰূপে MS window operating system ৰ লগত

by default বাংলা তথা অসমীয়া লিপিক সমর্থন কৰা বৃন্দা (vrinda) ফণ্ট, নির্মালী ফণ্টৰ ব্যৱস্থা কৰা হৈছে।

- *অসমীয়া ফণ্ট নির্মাণ ঃ* ইণ্টাৰনেটত পোৱা তথ্য অনুসৰি আমেৰিকাৰ ৰ'ড আইলেণ্ড বিশ্ববিদ্যালয়ৰ অংক শাস্ত্ৰৰ অধ্যাপক ড° দিলীপ কুমাৰ দত্তই 'ডিবৰু', 'বেঁকী' আৰু 'কপিলী' নামৰ তিনিটা ফণ্ট নির্মাণ কৰিছিল। এই ফণ্টকেইটাৰ জড়িয়তেই সর্বপ্রথমবাৰৰ বাবে কম্পিউটাৰত অসমীয়া লিখাটো সম্ভৱপৰ হৈছিল। আনহাতে, এই ফণ্টকেইটাই আছিল ভাৰতীয় ভাষাৰ প্রথম ফণ্ট, অর্থাৎ কম্পিউটাৰত ব্যৱহৃত প্রথম ভাৰতীয় আখৰ আছিল অসমীয়া। এই ফণ্টকেইটাৰ জড়িয়তেই তেওঁ ১৯৮৫ চনত *প্রেমত পৰিলোঁ নেকি?* শীর্ষক তেওঁৰ গ্রন্থখন লিখি উলিয়ায়। এইখনেই কম্পিউটাৰত অসমীয়া আখৰেৰে লিখা প্রথমখন গ্রন্থ।

  অসমীয়া ফণ্টৰ ইতিহাসত 'আদর্শ ৰত্ন ফণ্ট'ৰ এক বিশেষ ভূমিকা আছে। আদর্শ ৰত্ন হৈছে কম্পিউটাৰৰ 32-bit সংস্কৰণক সমর্থন কৰা বিশ্বৰ প্রথম TrueType ফণ্ট। এই ফণ্টটোৱে অসমীয়া ভাষাৰ লগতে বড়ো, বাংলা, কামৰূপী, কার্বি আৰু মণিপুৰী ভাষাকো সমর্থন কৰে। ১৯৯৮ চনৰ অক্টোবৰ মাহত স্থাপন কৰা 'ৰত্ন প্রকল্প' নামৰ প্রকল্প এটাৰ আধাৰত ৰবিন ডেকাই তেওঁৰ দেউতাকৰ নামেৰে এই ফণ্টটো সৃষ্টি কৰে। এনে কিছুমান আন আন ইউনিক'ড ফণ্ট হ'ল — লোহিত (Lohit), কালপুৰুষ (Kalpurush), কীর্তন ফণ্ট (Kirtan Uni), মাধৱ ফণ্ট (Madhab Uni), নৱ ফণ্ট (Nava Uni), বিষ্ণু ফণ্ট (Bishnu Uni), নীলমণি ফণ্ট (Nilamani Uni)। ইণ্টাৰনেটৰ অসমীয়া ফণ্ট (Assamese Font) বিচাৰিলে এনে অনেক ফণ্ট বিচাৰি পোৱা যায়।

এনে দৰেই সাম্প্রতিক সময়ত অসমীয়া অসমীয়া লিপিয়ে কম্পিউটাৰ আৰু ইণ্টাৰনেটত স্থান অধিকাৰ কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ফণ্ট কি? ফণ্ট কেই প্রকাৰৰ? চমুকৈ লিখক। (৬০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

প্ৰশ্ন নং ৩ ঃ ইউনিক'ড কি? কিমান চনত ইউনিক'ড পদ্ধতি উদ্ভাৱন কৰা হয়?

.....

.....

.....

প্ৰশ্ন নং ৪ ঃ ইউনিক'ড পদ্ধতিয়ে কি দৰে কাম কৰে? চমুকৈ লিখক। (৬০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

২.৫ কানাই বৰশীবোৱা শিলৰ তুৰুষ্ক-ক্ষয়ৰ ফলি (খ্ৰীঃ ত্ৰয়োদশ শতাব্দী)


উত্তৰ গুৱাহাটীৰ মণিকৰ্ণেশ্বৰ মন্দিৰৰ ওচৰত ৰংমহলৰ পূব-দক্ষিণ কোণত থকা কানাই বৰশীবোৱা শিলাখণ্ডত খোদিত লিপিখনেই কানাই বৰশীবোৱা শিলৰ তুৰুষ্ক-ক্ষয়ৰ ফলি। সম্পূৰ্ণ অসমীয়া আখৰৰ এইখনি বৰ্তমানলৈকে আৱিষ্কৃত প্ৰথম ফলি। ১৯১৮ চনত এজন সন্ন্যাসীয়ে কানাই বৰশীবোৱা শিলৰ কাষৰ হাবি কটাই মুকলি কৰোঁতে ফলিখনি উদ্ধাৰ হয়। সোণাৰাম চৌধুৰীয়ে ফলিখনিৰ কথা প্ৰথমে সদৰি কৰে। তেওঁ অসম উপত্যকা বিভাগৰ কমিছ্নাৰ কৰ্ণেল পি. আৰ. টি. গৰ্ডনক ফলিখনিৰ কথা জানিবলৈ দিয়ে। গৰ্ডনে সবিশেষ বুজ লৈ কামৰূপ অনুসন্ধান সমিতিৰ ১৯১৯ খ্ৰীষ্টাব্দৰ বছৰেকীয়া অধিৱেশনত 'A Rock Inscription ' শিৰোনামত এটি প্ৰবন্ধ পাঠ কৰে। পাছৰ কালত এইখনি ফলিৰ বিষয়ে ভালেমান আলোচনা হৈছে। তাৰ ভিতৰত পদ্মনাথ ভট্টাচাৰ্যই *Indian Historical Quarterly* (December, 1927) আৰু *কামৰূপ শাসনাৱলী*ৰ ভূমিকাত কৰা আলোচনা, কনকলাল বৰুৱাই *Early History of Kamrupa* গ্ৰন্থত, সোণাৰাম চৌধুৰীয়ে 'ৰংমহল' শীৰ্ষক প্ৰবন্ধত (*আৱাহন* ১/৫ সংখ্যা), সৰ্বেশ্বৰ কটকীয়ে 'অসমৰ শিলৰ ফলি' (*মিলন* ১.১, ১৮৪৫ শক) নামৰ প্ৰবন্ধ আৰু মহেশ্বৰ নেওগে *প্ৰাচ্য-শাসনাৱলী*ত কৰা আলোচনা বিশেষভাৱে উল্লেখযোগ্য। কানাই বৰশীবোৱা শিলাখণ্ডত এটি শ্লোক খোদিত হৈছে। মুঠ তিনিটা শাৰীত সম্পূৰ্ণ হোৱা এই ফলিখনিৰ পাঠ হ'ল —

শাক ১১১৭

শাকে তুৰগ-যুগ্মেশে মধুমাস-ত্ৰয়োদশে।
কামৰূপং সমাগত্য তুৰুষ্কঃ ক্ষয়মাযযু।।

শ্লোকটিৰ অৰ্থ— ১১১৭ শকৰ চ'ত মাহৰ ১৩ দিনৰ দিনা কামৰূপলৈ আহি তুৰুষ্কসকল ধ্বংসপ্ৰাপ্ত হয়।

চিত্ৰ ২.৩ ঃ কানাই বৰশীবোৱা শিলৰ তু�ৰুষ্ক- ক্ষয়ৰ ফলি



উৎস ঃ *অসমীয়া প্ৰাচীন লিপি*, সৰ্বেশ্বৰ কটকী

'কানাই বৰশীবোৱা শিলৰ তুৰুষ্ক-ক্ষয়ৰ ফলি' অসমীয়া লিপি আৰু প্ৰাচীন অসমৰ ইতিহাস অধ্যয়নৰ বাবে বিশেষ গুৰুত্বপূৰ্ণ সমল। ত্ৰয়োদশ শতিকাৰ আদি স্তৰৰ অসমীয়া আখৰৰ নিদৰ্শন এইখন লিপিতে সংৰক্ষিত হৈছে। তদুপৰি ইতিহাসৰ দৃষ্টিৰে এইখন লিপিয়েই হৈছে প্ৰথম মুছলমানৰ অসম আক্ৰমণৰ লিপিবদ্ধ নিদৰ্শন। ১১০৫-০৬ খ্ৰীষ্টাব্দৰ তুৰুষ্কসকলৰ সেনাপতি মহম্মদ-ই বখ্‌তিয়াৰ খিলিজিয়ে সসৈন্যে কামৰূপ আক্ৰমণ কৰি পৰাজয় বৰণ কৰাৰ তথ্য এই শিলালিপিয়ে প্ৰথমে জানিবলৈ দিয়ে। এইখন শিলালিপিৰ আখৰৰ বৈশিষ্ট্য এনেধৰণৰ—

(১) 'ক্ষ' আখৰে সম্পূৰ্ণ আধুনিক ৰূপ লৈছে

(২) শ, ম, ত, ক আদি আখৰ আধুনিক আখৰৰ লগত প্ৰায় একে

(৩) 'ধ' আখৰৰ আকৃতি মাত্ৰাহীন 'য' ৰ দৰে

(৪) সংস্কৃতত লিখা হ'লেও আখৰ স্থানীয় গঢ়ৰ ইত্যাদি।

২.৬ চামধৰা গড়ৰ ৰণজয়ৰ শিলালিপি

চামধৰা গড়ৰ ৰণজয়ৰ শিলৰ ফলি এখন নহয়, দুখন। তেজপুৰ নগৰৰপৰা প্ৰায় ৮ কিলোমিটাৰমান পূবলৈ ব্ৰহ্মপুত্ৰৰ পাৰত, ভৰলী আৰু ব্ৰহ্মপুত্ৰৰ সংগমস্থলৰ কাষৰ চামধৰা আৰু ভোমোৰাগুৰি পাহাৰত আহোম স্বৰ্গদেউ প্ৰতাপসিংহ বা স্বৰ্গনাৰায়ণদেৱৰ ৰণজয়ৰ মুঠ তিনিখন শিলালেখ আছে। ইয়াৰে দুখন 'চামধৰা গড়ৰ ৰণজয়ৰ শিলালিপি' আৰু আনখন 'ভণ্ডাৰী গোসাঁইৰ গড় নিৰ্মাণৰ শিলৰ ফলি'। এটা শৈলস্তম্ভৰ দুটা ফালত চামধৰা গড়ৰ ৰণজয়ৰ শিলৰ ফলি দুখন উৎকীৰ্ণ হৈছে। পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে প্ৰথমতে শিলালেখ দুখনৰ পাঠ উদ্ধাৰ কৰি সেই সময়ৰ *আলোচনীত* (৭ম বছৰ, ১১ শ সংখ্যা) প্ৰকাশ কৰিছিল। গোস্বামীদেৱৰ মতে ফলিত উল্লেখ থকা ৰণখন হৈছে চৈয়দ বাবাকৰৰ অধীনৰ মোগল সৈন্যৰ লগত ভৰলীমুখত হোৱা আহোমৰ যুদ্ধ। এই যুদ্ধত আহোমসকল জয়ী হৈছিল। ফলি দুখনৰ সময় খ্ৰীষ্টীয় সপ্তদশ শতিকা।

মহেশ্বৰ নেওগদেৱে *প্ৰাচ্য-শাসনাৱলী* গ্ৰন্থত চামধৰা গড়ৰ ৰণজয়ৰ শিলৰ ফলিৰ বিষয়ে লিখিছে— "ফলি দুখনৰ বিশেষ এটি মূল্য হ'ল যে এখনৰ আধা আৰু আনখন সম্পূৰ্ণ অসমীয়া ভাষাত লেখা। ইয়াৰ আগৰ শুদ্ধ অসমীয়া ভাষাত লেখা শিল, তাম আদিৰ কোনো ফলি এতিয়াও

পোৱা হোৱা নাই।" *প্রাচ্য-শাসনাৱলী* গ্রন্থত উল্লেখ থকা মতে ফলি দুখনিৰ পাঠ এনে—

১

ঁ ৭ স্বস্তি সমুত্তুঙ্গ-সকল -কলা-কলিত- কলেৱৰ-নানা-গুণ-গ্রাম-ৱিশ্রাম-ধাম-প্রচণ্ড-প্রতাপানল-তাপিত-ভূপ-চূড়ামণি-শেখৰ-শ্রীশ্রীস্বর্গনাৰায়ণদেৱ-ৱিষম-সমৰ-ৱিজয়িনঃ।
শ্রীভাণ্ডাৰী গোসাই। লাঙ্গির্পো গোসাই। বড় ফুকন নায়সলিয়াৰাই। চামধৰা সিমা কৰি হাৰুণিদাৰুণিলৈ গঢ়। শক। ১৫৩৮।।

২

শ্রীশ্রীস্বর্গনাৰায়ন জয় জয়। শ্রীফুলুঙ গোসাই। শ্রীকুলুতা গোসাই। শ্রীজদু বৰুৱা জয় হল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ খালি ঠাই পূৰণ কৰক—

(ক) কানাই বৰশীবোৱা শিলৰ তুৰষ্ক-ক্ষয়ৰ ফলিখন উদ্ধাৰ হয় ..... চনত।

(খ) চামধৰা গড়ৰ ৰণজয়ৰ শিলালিপি .....।

প্রশ্ন নং ৬ ঃ 'কানাই বৰশীবোৱা শিলৰ তুৰুষ্ক-ক্ষয়ৰ ফলি'খনৰ আখৰৰ প্রধান বৈশিষ্ট্যসমূহ কি কি? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

.....

.....

.....

২.৭ লেখন সামগ্রী

পুৰণি অসমত লেখন সামগ্রীৰূপে বিবিধ বস্তুৰ ব্যৱহাৰ হৈছিল। তাৰে ভিতৰত প্রধান কেইবিধমান তলত উল্লেখ কৰা হ'ল—

- **শিল ঃ** মানৱ সভ্যতাৰ আৰম্ভণিৰ সময়ৰেপৰা শিলৰ ওপৰত চিত্র, লিপি আদি খোদিত কৰাৰ প্রচেষ্টা চলি আহিছে। বিভিন্ন প্রকাৰৰ শিল, যেনে — পর্বত-পাহাৰৰ ডাঙৰ শিল, শিলাস্তম্ভ, শিলালেখা, শৈল-প্রতিমাৰ পশ্চাৎদেশ আৰু বেদিকা ইত্যাদিত লিপি উৎকীর্ণ কৰা দেখা যায়। উদাহৰণস্বৰূপে— ভোমোৰাগুৰিৰ প্রকাণ্ড আগ্নেয় শিলৰ খোদিত 'ভণ্ডাৰী গোসাঁইৰ গড় নির্মাণৰ শিলৰ ফলি', ১৫৩৮ শকৰ চামধৰা গড়ৰ ৰণজয়ৰ বার্তা খোদিত শৈলস্তম্ভ, শুক্রেশ্বৰ মন্দিৰৰ শিলৰ ফলি, নগাঁও- কলিয়াবৰ- কামাখ্যা মন্দিৰৰ জঙঘা-খচিত ফলি, ছয়গাঁও চণ্ডিকা দেৱালয়ৰ শিলৰ ফলি ইত্যাদি উল্লেখযোগ্য।
- **তাম ঃ** অসমত প্রাপ্ত তামত উৎকীর্ণ লিপিৰ ক্ষেত্রত বলৱর্মা, বনমালৱর্মা আৰু ইন্দ্রপালদেৱৰ তাম্রশাসনবোৰ উল্লেখযোগ্য।

- **সোণ, ৰূপ, পিতল, কাঁহ ঃ** লেখন সামগ্ৰীৰূপে সোণৰ ব্যৱহাৰ কিছু দেশত পোৱা যায়। অসমৰ আহোমসকলৰ মাজতো সোণৰ পাতত লিখা ৰীতি আছিল বুলি জনা যায়। ৰূপৰ ক্ষেত্ৰত উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী দেৱী পীঠলৈ স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহই ১৬৭৯ শকত আগবঢ়োৱা ৰূপৰ জাপিত উৎকীৰ্ণ লিপি, পিতলৰ ক্ষেত্ৰত অসমৰ সুন্দৰীদিয়া সত্ৰত থকা পিতলৰ ফলক আৰু কাঁহৰ ক্ষেত্ৰত লক্ষীমপুৰৰ ওচৰৰ বাসুদেৱ থানলৈ আগবঢ়োৱা বৰকাঁহৰ ওপৰত খোদিত লিপি মন কৰিবলগীয়া। তদুপৰি লোৰ বৰটোপ, হাতীৰ দাঁত, কাঠৰ ফলক, বাঁহৰ কামি, ম'হ, পহুৰ ছাল আদিত লিখা উদাহৰণো অসমীয়া লিপিৰ অধ্যয়নৰ ক্ষেত্ৰত তাৎপৰ্যপূৰ্ণ।
- **কাপোৰ ঃ** অসমত সূতা কাপোৰ, পাট আৰু মুগাৰ কাপোৰ লেখন সামগ্ৰীৰূপে ব্যৱহৃত হৈছিল। এইবোৰ কাপোৰত মাটিমাহ, বৰা বা আন এঠাযুক্ত চাউলৰ গুড়ি আৰু অন্যান্য সামগ্ৰী দি কট্‌কটীয়া কৰা হৈছিল আৰু পাছত তাক জাপি পুথিৰ আকাৰ দিয়া হৈছিল। মুগাৰ কাপোৰত মহাপুৰুষ মাধৱদেৱৰ *নামঘোষা*খনি লিখি উজনিৰ চামগুৰি সত্ৰত সংৰক্ষণ কৰাটো এইখিনিতে উল্লেখযোগ্য।
- **ভূৰ্জপত্ৰ ঃ** ভূৰ্জপত্ৰ প্ৰকৃততে ভূৰ্জগছৰ বাকলিহে, পাত নহয়। অসমত মন্ত্ৰৰ লেখন আৰু যন্ত্ৰ অংকনৰ ক্ষেত্ৰত ভূৰ্জপাত ব্যৱহাৰ হৈছিল আৰু সেইবোৰ ভোট দেশৰ (ভূটান) পৰা আমদানি কৰা হৈছিল।
- **সাঁচিপাত ঃ** সাঁচি বা অগৰু গছৰ ছালৰপৰা যি লেখন সামগ্ৰী প্ৰস্তুত কৰা হয় তাৰ নামেই সাঁচিপাত। উত্তৰ-পূব ভাৰতৰ ভিতৰত একমাত্ৰ অসমতে লেখন সামগ্ৰীৰূপে সাঁচিপাতৰ ব্যৱহাৰ হোৱাৰ প্ৰমাণ পোৱা যায়। কুমাৰ ভাস্কৰবৰ্মাই উত্তৰ ভাৰতৰ হৰ্ষ শিলাদিত্যলৈ উপঢৌকনৰূপে পঠোৱা নানা সামগ্ৰীৰ ভিতৰত অগৰুৰ বাকলিত লিখা সুভাষিত বচনৰ সংগ্ৰহ পুথি আছিল অন্যতম। মধ্যযুগৰ সৰহ সংখ্যক পুথি এই সাঁচিপাততে লিখা হৈছিল।
- **তুলাপাত ঃ** কপাহেৰে প্ৰস্তুত কৰা লেখন সামগ্ৰীৰ নামেই তুলাপাত। অনুমান কৰা হয় যে খ্ৰীষ্টজন্মৰ পূৰ্বতে অসমীয়া মানুহে তুলাপাত প্ৰস্তুত কৰা উপায়টো উদ্ভাৱন কৰি লৈছিল। বৰ্তমানে কামৰূপ অনুসন্ধান সমিতি, বুৰঞ্জী আৰু পু�ৰাতত্ত্ব বিভাগৰ উপৰি গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰত কিছুসংখ্যক তুলাপতীয়া পুথি সংৰক্ষণ কৰি ৰখা হৈছে।
- **চিয়াঁহী ঃ** পুৰণি কালত অসমীয়া লোকে উন্নতমানৰ চিয়াঁহী প্ৰস্তুত কৰিব জানিছিল। বুৰঞ্জীবিদ্ বেণুধৰ শৰ্মাই লিখিছে— "চৰু ছাই বা বৰা চাউলৰ ছাই, কেহৰাজৰ ৰস, লোৰাচুৰ, গৰুমূত, শিলিখা, আমছাল, ডামছাল— এইবোৰ বস্তু একেলগে লৈ কেৰাহীত সিজাই মাটিৰ চৰুটোত ভৰাই নিয়ৰত থৈ দিব লাগে। চৰুটোৰ বাহিৰে যি ৰস ঘামি নিগৰি ওলাব সেয়ে অসমীয়া ***মহী***।"
- **লেখনী ঃ** লেখনী কাপ নামেৰেও পৰিচিত। তালপাত, ভূজপাত বা সাঁচিপাতৰ ওপৰত চিয়াঁহীৰে যি বিধ সামগ্ৰীৰে লিখা হয় সিয়েই লেখনী।
- **মহীচুঙা ঃ** চিয়াঁহী ৰখা পাত্ৰটোৰ নাম মহীচুঙা। মধ্যযুগৰ অসমত চিয়াঁহী বা মহী বাঁহৰ চুঙাত ৰখা হৈছিল। সেইবাবে ইয়াৰ নাম মহীচুঙা।



মহী ঃ অসমত চিয়াঁহীক মহী নামেৰে জনা যায়।

- **কুটনী ঃ** কম্পাচৰ দৰে জোখ লৈ চিন দিয়া যতনবিধৰ নাম কুটনী। সাঁচিপাত, তুলাপতীয়া পুথিৰ শাৰীবোৰ সমান কৰিবলৈ কুটনীৰে জোখ লোৱা হৈছিল।
- **আঁকমাৰী ঃ** বাঁহ বা কাঠেৰে নির্মিত পোন স্কেলডালৰ নাম আঁকমাৰী।
- **বিন্ধনা ঃ** তাল, ভূজ, সাঁচি বা তুলাপাতৰ নাভিদেশ উন্মুক্ত কৰিবলৈ ধাতুৰে নির্মিত যি সঁজুলি ব্যৱহাৰ কৰা হৈছিল, তাৰ নামেই বিন্ধনা।



চিন্তা-চর্চা কৰক — ২.১

ছাৰ এডৱার্ড গেইটৰ *অসম বুৰঞ্জী*ত সাঁচিপাত প্রস্তুতিৰ বিৱৰণী আছে, সেয়া অধ্যয়ন কৰি এটি টোকা প্রস্তুত কৰক।

.....

.....

.....

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ তলৰ কোনটো পুৰণি অসমৰ লেখন সামগ্রীৰ অন্তর্ভুক্ত নহয় —

(ক) সাঁচিপাত (খ) কাপোৰ

(গ) তাম্রপত্র (ঘ) পিপিৰাচ

.....



২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মধ্যযুগীয় অসমীয়া লিপিক গড়গঞা, কাইথেলী আৰু বামুণীয়া — এই তিনিটা ভাগত বিভাজন কৰা হয়। অধ্যায়টোত এই তিনিটা ভাগৰ বিষয়ে বহলাই আলোচনা দাঙি ধৰা হ'ল।
- আধুনিক অসমীয়া লিপি মূলতঃ ছপাশালত ব্যৱহৃত লিপি। *ধর্ম্মপুস্তক* অনুবাদ কৰি প্রকাশ কৰোঁতে বাংলা হৰফেৰেই সেই কাম আৰম্ভ হৈছিল। এই বিষয়ে এতিয়াও গভীৰ গৱেষণা কৰাৰ থল আছে।

- ১৯৮৩ চনত স্থাপন কৰা Modular InfoTech Pvt. Ltd নামৰ এটা কোম্পানীয়ে ভাৰতীয় ভাষাসমূহ কম্পিউটাৰত লিখিব পৰাকৈ ফণ্ট আৰু কী-বৰ্ডৰ সৃষ্টি কৰিছিল যদিও সাম্প্ৰতিক সময়ত অসমীয়া কাকত-আলোচনীয়ে কম্পিউটাৰত অসমীয়া লিখিবৰ বাবে বহুলভাৱে ব্যৱহাৰ কৰে ১৯৯২ চনত ত্ৰিদীপ কুমাৰ বৰুৱাই সৃষ্টি কৰা ৰামধেনু চফ্‌টৱেৰটোৰ জৰিয়তেহে। অধ্যায়টিত অসমীয় কী-বৰ্ড আৰু ফণ্ট সম্পৰ্কে কিছু কথা আলোচনা কৰা হ'ল। এইবোৰেই আধুনিক অসমীয়া লিপিৰ প্ৰতিনিধিত্ব কৰে।
- অধ্যায়টিত দুখন পুৰণি অসমীয়া লিপিৰ বিষয়ে বিশেষভাৱে অধ্যয়ন কৰাৰ লগতে পুৰণি অসমীয়া লিখন সামগ্ৰী সম্পৰ্কেও কিছু কথা অধ্যয়ন কৰা হ'ল।



২.৯ অধিক জানিবলৈ

অসমীয়া আৰু বাংলা গ্ৰন্থ ঃ

১) কটকী, সর্বেশ্বৰ (১৯৭৯); *অসমীয়া প্ৰাচীন লিপি;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশন।

২) গোস্বামী, উপেন্দ্ৰনাথ (১৯৮৭); *অসমীয়া লিপি;* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

৩) চৌধুৰী, সোণাৰাম (১৯৩১); *অসম সাহিত্য সভাৰ বুৰঞ্জী শাখাৰ সভাপতিৰ অভিভাষণ;* শিৱসাগৰ ঃ অসম সাহিত্য সভা।

৪) দাস, নাৰায়ণ (১৯৯৭); *বিশ্বলিপিৰ ভূমিকা;* গুৱাহাটী ঃ ডেকা পাবলিকেচনচ্‌।

৫) নেওগ, মহেশ্বৰ (১৯৭৪); *প্ৰাচ্য-শাসনাৱলী;* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

৬) নেওগ, মহেশ্বৰ (১৯৮৭); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৭) নেওগ, ডিম্বেশ্বৰ (১৯৫৭); *অসমীয়া সাহিত্যৰ ইতিহাস;* গুৱাহাটী ঃ শুৱনি প্ৰকাশ।

৮) ভট্টাচার্য্য, পদ্মনাভ (১৯৩১); *কামৰূপ শাসনাবলী;* ৰংপুৰ ঃ ৰংপুৰ সাহিত্য পৰিষৎ।

৯) ভট্টাচার্য্য, সতীশ চন্দ্ৰ (২০১৩); *অসমীয়া লিপিতত্ত্ব অধ্যয়ন;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১০) শর্মা, সত্যেন্দ্ৰ নাথ (১৯৮৭); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১১) হাজৰিকা, বিশ্বেশ্বৰ (২০০৩); "অসমীয়া লিপিৰ বুৰঞ্জীৰ চমু আভাস"; ব্ৰহ্ম, শোভাৰ মুখ্য সম্পাঃত প্ৰকাশিত *অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্ৰথম খণ্ড)* (পৃ.২১০-২২৫); গুৱাহাটী: আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

ইংৰাজী গ্ৰন্থ ঃ

১২) Bora, M (1981). *The Evolution of Assamese Script: Bagmibar Nilmoni Phukan Lectures.* Jorhat: Asam Sahitya Sabha.

১৩) Choudhury. P.C. (1966). *The History of Civilisation of the people of Assam to the Twelfth Century AD*. Gauhati: Deptt. of Historical and Antiquarian Studies in Assam.

১৪) Choudhury, P.C. (1961). *A Catalogue of Sanskrit Manuscripts at the DHAS.* Gauhati: Dept. of Historical and Antiquarian Studies in Assam.

১৫) Goswami. H. C. (1930). *Descriptive Catalogue of Assamese Manuscripts.* Calcutta: University of Calcutta.

১৬) Neog, D, (1964). *Growth of the Asamiya Language Development of the Asamiya Script Pre-Historic and Historic Asam*. Guwahati: Xuwani Prakash.

১৭) Neog, M (1981). *Tradition and Style*. Jorhat: Asam Sahitya Sabha.

১৮) Sharma M. M. (1978). *Inscriptions of Ancient Assam*. Guwahati: Gauhati University.

১৯) Verma, T. P. (1976). *Development of Script in Ancient Kamarupa.* Jorhat: Asam Sahitya Sabha.

ৱেব চাইট ঃ

২০) www.xahitya.org

২১) www.as.wikipedia.org

২২) www.sltdassam.com

২৩) www. jahnabi.net

২৪) www.assamesedictionary.com

২৫) www.ratneresearch.com

২৬) www.unicode.org

১.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) শুদ্ধ গ) শুদ্ধ ঘ) অশুদ্ধ ঙ) শুদ্ধ

২ নং প্রশ্নৰ উত্তৰ ঃ ফণ্ট হৈছে আখৰক সংকেটত প্রকাশ কৰিব পৰা এক ধৰণৰ পদ্ধতি। এই পদ্ধতিক কিছুমান ক'ডত অন্তর্ভুক্ত কৰা থাকে আৰু কম্পিউটাৰ মণিটৰ বা প্রিণ্টাৰত কেনেধৰণৰ ডিজাইনেৰে প্রকাশ কৰিব তাক নির্দেশ কৰা থাকে। ফণ্টবোৰক সাধাৰণতে

ভেক্টৰ ফণ্ট (vector fonts), বিটমেপ ফণ্ট (Bitmap font), ট্রু-টাইপ (Truetype font) আৰু আউটলাইন ফণ্ট (Outline font) এই চাৰি ধৰণেৰে পোৱা যায়।

৩ নং প্রশ্নৰ উত্তৰ ঃ ইউনিক'ড (Unicode) হৈছে কম্পিউটাৰৰ লিখন প্রণালীত থকা আখৰ বা চিনবোৰৰ সংহত নিয়মীকৰণ, নির্দেশনা আৰু প্রতিনিধিত্ব কৰিব পৰাকৈ ব্যৱহৃত এক কাৰিকৰী মান। ১৯৯১ চনত Unicode Consortium নামৰ অপেছাদাৰী সংগঠনটোৱে 'ইউনিক'ড' নামৰ এটা প্রণালী উদ্ভাৱন কৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ ইউনিক'ড পদ্ধতিত "বিশ্বৰ প্রায় সকলো ভাষাৰ লিপিসমূহ পর্য্যায় ক্রমে একো একোটা বিশেষ মানদণ্ডত ৰখা অথবা ৰাখিবলৈ চেষ্টা কৰা হৈছে।" ইউনিক'ডে বিশ্বৰ প্রতিটো ভাষাৰ বর্ণমালাৰ বাবে একোটা সুকীয়া range ৰ সৃষ্টি কৰিছে, (বাংলা ভাষাৰ বাবে-U+0980-ৰ পৰা U+09FF, দেৱনাগৰী(হিন্দী) U+0900-ৰ পৰা U+097F, তামিল ভাষাৰ বাবে U+0B80-ৰ পৰা U+0BFF ইত্যাদি)। এনেদৰে বিশ্বৰ প্রতিটো লিপিৰ বাবে একোটা বিশেষ স্থান নির্ধাৰণ কৰাৰ বাবে বর্তমান বিশ্বত ব্যৱহাৰ হৈ থকা সকলো বৈদ্যুতিক সামগ্রীত (আৰু ভৱিষ্যতে আৱিস্কৃত হ'ব লগা সামগ্রীসমূহতো) বিশ্বৰ সকলো ভাষা ব্যৱহাৰ কৰিব পৰাটো সম্ভৱ হৈছে।

৫ নং প্রশ্নৰ উত্তৰ ঃ ক) ১৯১৮ চনত গ) দুখন।

৬ নং প্রশ্নৰ উত্তৰ ঃ 'কানাই বৰশীবোৱা শিলৰ তুৰুষ্ক-ক্ষয়ৰ ফলি'খনৰ আখৰৰ প্রধান বৈশিষ্ট্যসমূহ হ'ল — ইয়াত 'ক্ষ' আখৰে সম্পূর্ণ আধুনিক ৰূপ লৈছে আৰু শ, ম, ত, ক আদি আখৰ আধুনিক আখৰৰ লগত প্রায় একে।

৭ নং প্রশ্নৰ উত্তৰ ঃ (ঘ) পিপিৰাচ



২.১১ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) দিলীপ কুমাৰ দত্তই নির্মাণ কৰা ফণ্ট কেইটা কি কি?

খ) আধুনিক অসমীয়া লিপিৰ কাল কেতিয়া আৰম্ভ হয়?

গ) তিনিটা অসমীয়া ফণ্টৰ নাম লিখক।

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ চমুটোকা লিখক —

(ক) গড়গওঁগা লিপি (খ) বামুণীয়া লিপি

(গ) কাইথেলী লিপি (ঘ) চামধৰা গড়ৰ ৰণজয়ৰ শিলালিপি

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ পুৰণি অসমীয়া লেখন সামগ্রী সম্পর্কে এটি নিবন্ধ যুগুত কৰক।

প্রশ্ন ২ ঃ মধ্যযুগীয় অসমীয়া লিপিৰ প্রধান ভাগ কেইটা আৰু কি কি? প্রতিটো ভাগৰে বৈশিষ্ট্য নিৰূপণ কৰক।

প্রশ্ন ৩ ঃ খ্রীষ্টীয় ত্রয়োদশ শতিকাৰপৰা বর্তমানলৈকে অসমীয়া লিপিৰ বিকাশৰ ধাৰা সম্পর্কে এটি আলোচনা আগবঢ়াওক।

প্রশ্ন ৪ ঃ আধুনিক অসমীয়া লিপি সম্পর্কে এটি আলচ যুগুত কৰক।

*** ***** ***